**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 04-03-2025
**Time :** 07-55 Hrs

***Assamese Morning Bulletin***
***-------------------***

ৰাজ্য চৰকাৰে বিভিন্ন পদৰ বাবে অনুষ্ঠিত কৰা নিযুক্তি পৰীক্ষাৰ ফলাফলসমূহ আজিৰ পৰা পৰ্যায়ক্ৰমে ঘোষণা কৰা হ'ব। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰা মতে অসম আৰক্ষীৰ গাড়ী চালকৰ পদত নিযুক্তি দিয়াৰ বাবে অনুষ্ঠিত কৰা পৰীক্ষাৰ ফলাফল আজি ঘোষণা কৰা হ'ব। সেইদৰে অহা ৬ মাৰ্চত অসম আৰক্ষীৰ উপ-পৰিদৰ্শক পদৰ আৰু ৭ মাৰ্চত তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ পদৰ বাবে অনুষ্ঠিত কৰা নিযুক্তি পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হ'ব। পৰৱৰ্তী পৰ্যায়ত ১২ মাৰ্চত অসম আৰক্ষীৰ কনিষ্টবল পদৰ আৰু ২৭ মাৰ্চত অসম আৰক্ষীৰ কমাণ্ডো বেটেলিয়ানৰ কনিষ্ঠবল পদৰ বাবে হোৱা নিযুক্তি পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হ'ব।

oooooo

ৰাজ্যত ক্ৰমাৎ হত্যা, ধৰ্ষণকে ধৰি বিভিন্ন অপৰাধমূলক ঘটনা হ্ৰাস পাইছে বুলি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কালি সদনৰ মজিয়াত প্ৰকাশ কৰিছে। গৃহ বিভাগৰ দায়িত্বত থকা ডঃ শৰ্মাই আইন-শৃংখলা সম্পৰ্কীয় এটা প্ৰশ্নৰ উত্তৰত বিগত কেইবাটাও বছৰৰ অপৰাধমূলক ঘটনাৰ তথ্য দাঙি ধৰি গুৱাহাটী মহানগৰীত সংঘটিত ধৰ্ষণৰ ঘটনাসমূহ ৰোধ কৰাৰ বাবে ৰাজ্য চৰকাৰে আৰক্ষীৰ টহল বৃদ্ধি কৰিছে বুলি সদৰি কৰিছে। তদুপৰি বিভিন্ন হোটেল, বাৰ আদিত চকু ৰখাৰ উপৰি এনে ঘটনাৰ ক্ষিপ্ৰ তদন্তৰ ব্যৱস্থা কৰি দোষীৰ ওপৰত আইন সংগত ব্যৱস্থা লোৱা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাৰ এটা লিখিত প্ৰশ্নৰ উত্তৰত ডঃ শৰ্মাই দিয়া তথ্য অনুসৰি ২০২০ চনত এহেজাৰ ১৩১ টা, ২০২১ চনত এহেজাৰ ১৯২ টা, ২০২২ চনত এহেজাৰ ৭২ টা, ২০২৩ চনত এহেজাৰ ২৫ টা, ২০২৪ চনত ৯২৬ টা আৰু চলিত বৰ্ষৰ ২৩ ফেব্ৰুৱাৰী পৰ্যন্ত ৰাজ্যত ১০২ টা হত্যাৰ ঘটনা সংঘটিত হৈছে। একেদৰে ২০২০ চনত এহেজাৰ ৬৫৭ টা, ২০২১ চনত এহেজাৰ ৭৩৩ টা, ২০২২ চনত এহেজাৰ ১১৩ টা, ২০২৩ চনত ৯৮৯ টা, ২০২৪ চনত এহেজাৰ ১৯ টা আৰু চলিত বৰ্ষৰ ২৩ ফেব্ৰুৱাৰী পৰ্যন্ত ১২১ টা ধৰ্ষণৰ ঘটনা সংঘটিত হৈছে। ড্ৰাগছ, ভাং, হেৰ'ইন আদিৰ ব্যৱসায় প্ৰতিৰোধৰ বাবে ৰাজ্য চৰকাৰে বিগত সময়ছোৱাত গ্ৰহণ কৰা ব্যৱস্থাৰ কথাও তেওঁ সদনৰ মজিয়াত উল্লেখ কৰে।

oooooo

ডিগবৈ সংৰক্ষিত বনাঞ্চলৰ ডিব্ৰু নৈৰ সমীপত কালি সেনা বাহিনী আৰু আৰক্ষীয়ে যুটীয়াভাৱে অভিযান চলাই মাটিত পুতি থোৱা অৱস্থাত বৃহৎ পৰিমাণৰ বিস্ফোৰক সামগ্ৰী উদ্ধাৰ কৰে। অভিযানকাৰী দলটোৱে উগ্ৰপন্থী সংগঠন আলফা স্বাধীনৰ এজন আত্মসমৰ্পণকাৰী সদস্যৰ স্বীকাৰোক্তিৰ ভিত্তিত এই সামগ্ৰীসমূহ জব্দ কৰে। উল্লেখযোগ্য যে, বিগত কেইটামান দিনত তিনিচুকীয়া জিলাৰ ৪ গৰাকী আলফা স্বাধীনৰ সদস্যই আত্মসমৰ্পণ কৰে।

ইয়াৰে দুজন সদস্যক তিনিচুকীয়া আৰক্ষীয়ে জেৰা কৰাৰ পাছত এই বিস্ফোৰক লুকুৱাই থোৱাৰ কথা পোহৰলৈ আহে। আৰক্ষীয়ে অভিযানকালত প্ৰায় ৩০ কিলোগ্ৰাম ওজনৰ বিস্ফোৰক সামগ্ৰী জব্দ কৰে।

ইপিনে, আছাম ৰাইফলছ আৰু অৰুণাচল প্ৰদেশ আৰক্ষীয়ে প্ৰতিবেশী ৰাজ্যখনৰ নামচাই আৰু চাংলাং জিলাৰ মানাভূম সংৰক্ষিত বনাঞ্চলত উগ্ৰপন্থী সংগঠন আলফা স্বাধীনৰ বৃহৎ পৰিমাণৰ অস্ত্ৰ-শস্ত্ৰৰে সুসজ্জিত এটা দলৰ অৱস্থিতিৰ তথ্য লাভ কৰি অভিযান আৰম্ভ কৰিছে। নামচাইৰ আৰক্ষী অধীক্ষকে প্ৰকাশ কৰা মতে এই অঞ্চলটোৰে উগ্ৰপন্থীৰ আহ-যাহ ৰোধ কৰাৰ বাবে প্ৰৱেশ আৰু প্ৰস্থান পথসমূহ ছীল কৰি দিয়া হৈছে।

oooooo

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৫৬ সংখ্যক বিশ্ববিদ্যালয় সপ্তাহৰ অনুষ্ঠানত কালি প্ৰখ্যাত এথলিট তথা ভাৰতীয় অলিম্পিক সন্থাৰ সভাপতি পি টি ঊষা আৰু কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে অংশগ্ৰহণ কৰে। অনুষ্ঠানত দিয়া ভাষণত এথলিটগৰাকীয়ে ডিব্ৰুগড় বিশ্ববিদ্যালয়ত সৃষ্টি কৰা ক্ৰীড়াৰ পৰিৱেশে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ খেলুৱৈ সৃষ্টি কৰাত অৰিহণা যোগাব বুলি মন্তব্য কৰে। শ্ৰী সোণোৱালে নিজৰ ভাষণত কয়, যে অসমে বিশ্বৰ বুকুত নিজৰ স্থিতি শক্তিশালীৰূপত প্ৰতিষ্ঠা কৰিবলৈ হ'লে শিক্ষাৰ সমানেই সংস্কৃতি, গৱেষণা, ক্ৰীড়া আদিৰ ক্ষেত্ৰতো সফলতাৰ খতিয়ান দিব লাগিব। যুৱ শক্তি দেশৰ মহা শক্তি আৰু এই শক্তিয়ে শিক্ষা, ক্ৰীড়া আৰু সংস্কৃতিৰ জৰিয়তে এখন সুস্থ-সবল সমাজ গঢ়ি তোলাৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা পালন কৰিব লাগিব বুলি তেওঁ কয়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে জ্ঞান অন্বেষণৰ সমান্তৰালকৈ সৃষ্টি শীলতা আৰু উদ্ভাৱনৰ দিশত গুৰুত্ব দি নিজৰ সুপ্ত প্ৰতিভাৰ বিকাশেৰে দেশৰ প্ৰগতিৰ অনিৰুদ্ধ যাত্ৰাক শক্তিশালীৰূপত আগুৱাই নিবলৈ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি আহ্বান জনায়।

এই অনুষ্ঠানত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য জিতেন হাজৰিকা, পঞ্জীয়ক পৰমানন্দ সোণোৱাল, অসম পেট্ৰ'কেমিকেলছ লিমিটেডৰ অধ্যক্ষ বিকুল ডেকা, অসম অলিম্পিক সন্থাৰ সাধাৰণ সম্পাদক লক্ষ্য কোঁৱৰকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত আছিল।

oooooo

যোৰহাটৰ অসম সত্ৰীয়া সংগীত মহাবিদ্যালয়ত কালিৰে পৰা লোকসংগীত, লোক নৃত্য আৰু লোকবাদ্যৰ কৰ্মশালা অনুষ্ঠিত হৈছে। ৪ দিনীয়া এই কৰ্মশালা কালি সংগীত নাটক একাডেমী বঁটা প্ৰাপক তথা মহাবিদ্যালয়ৰ সত্ৰীয় নৃত্যৰ প্ৰশিক্ষক টংকেশ্বৰ হাজৰিকা বৰবায়নে বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰে। এই অনুষ্ঠানত গোৱালপৰীয়া লোকগীত, বাদ্য-নৃত্যৰ প্ৰশিক্ষণ দিয়াৰ উপৰি বৰ অসমৰ বাৰেৰহনীয়া লোক সংগীতৰ মেটমৰা সম্ভাৰৰ কিছু আভাস দিয়া হ'ব।

oooooo

সমাপ্ত